**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩টা সমষ্টিৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ভোটগণনা চলি আছে। গোৱালপাৰা জিলাৰ অন্তৰ্গত ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ ১৯টা পৰিষদীয় সমষ্টিৰ ভোটগণনা পুৱা ৮ বজাৰ পৰা কটকটীয়া নিৰাপত্তাৰ মাজত জিলা আয়ুক্ত কাৰ্যালয়ত চলি আছে।

এই বাতৰি যুগুতোৱাৰ পৰলৈ বকো সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী সুমিত ৰাভা, জোঙাখুলি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অৰ্জুন ছেত্ৰী, বামুনীগাঁও সমষ্টিত বিজেপি প্ৰাৰ্থী অজিৎ ৰাভা, বন্দাপাৰা সমষ্টিত বিজেপি প্ৰাৰ্থী মেঘালি ৰাভা, লুকি সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী ৰেলিনা জে মাৰাক, উত্তৰ বনগাঁৰত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী আদিত্য ৰাভা, জাৰিহাট সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অশোক কুমাৰ ৰাভা, পাণ্টানত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰমাকান্ত ৰাভা, গোৱৰ্ধনত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী জ্যোতিষ চন্দ্ৰ ৰাভা, ৰাণী সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী পুষ্পাঞ্জলি কুমাৰী বড়ো, শিলপোটাত বিজেপি প্ৰাৰ্থী কমলেশ্বৰ ৰাভা, দক্ষিণ বনগাঁও সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী মিনতি ৰাভা, চানডুবিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী নৃপেন চন্দ্ৰ ৰাভা আৰু কুলচি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰশ্মি মালা ৰাভাই অগ্ৰগতি লাভ কৰিছে বুলি আমাৰ কামৰূপৰ সংবাদদাতাই জানিবলৈ দিছে।

আকাশবাণীৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা মতে ধুপধৰা সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী অনাদি চৰকাৰ, কোঠাকুঠি সমষ্টিত বিজেপি প্ৰাৰ্থী ভৈৰৱ কছাৰী, কুশধোৱা-দৰংগিৰি সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী পৰমা ৰাভা আৰু উত্তৰ দুধনৈ সমষ্টিত যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী উজ্বলা ব্ৰহ্ম আগবাঢ়ি আছে।

উল্লেখযোগ্য যে, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে গোৱালপাৰা জিলাত ২০টা সমষ্টি আছিল যদিও ইয়াৰে এটা সমষ্টিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত ১৯টা সমষ্টিত ভোটগ্ৰহণ কৰা হৈছে।

০০০০০০০

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সংসদত গৃহীত হৈছে। ৰাজ্যসভাই প্ৰায় ১২ ঘণ্টা জোৰা আলোচনাৰ অন্তত যোৱানিশা বিধেয়কখনত অনুমোদন জনায়। উচ্চ সদনত ১২৮ গৰাকী সদস্যই সংশোধনী বিধেয়কখনৰ সপক্ষে আৰু ৯৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰে। লোকসভাত ইতিমধ্যে বিধেয়কখন গৃহীত হৈছে।

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ৰ মূল উদ্দেশ্য হৈছে- ঐতিহ্যস্থলীসমূহৰ সুৰক্ষা আৰু সামাজিক কল্যাণ সুনিশ্চিত কৰা। এই বিধেয়কখনৰ জৰিয়তে ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ ব্যৱস্থাপনাৰ দিশটো অধিক স্বচ্ছ কৰি তোলাৰ লগতে ৱক্‌ফ পৰিষদ আৰু স্থানীয় কৰ্তৃপক্ষসমূহৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ বিচৰা হৈছে। বিধেয়কখনত মুছলমান মহিলা বিশেষকৈ স্বামীহাৰা আৰু বিবাহ বিচ্ছেদিত মহিলাসকলৰ আৰ্থ-সামাজিক স্থিতিৰ উন্নয়নৰ ব্যৱস্থা আছে।

বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে মুছলমান সম্প্ৰদায়ৰ দুখীয়া লোকসকল বিধেয়কখনৰ পৰা উপকৃত হ'ব আৰু ইয়াৰ পৰা এগৰাকী মুছলমানৰো ক্ষতি নহয়। তেওঁ কয়, যে বিধেয়কখনে ৱক্‌ফ সা-সম্পত্তি কোনো ধৰণে হস্তক্ষেপ নকৰে। নৰেন্দ্ৰ মোদী চৰকাৰে সবকা সাথ, সবকা বিকাশ দৃষ্টিভংগীৰে কাম কৰি আহিছে আৰু চৰকাৰখনে কোনো সম্প্ৰদায়ৰ সৈতে ভেদভাৱ নকৰে বুলি শ্ৰীৰিজিজুৱে মন্তব্য কৰে। তেওঁ কয়, যে যুটীয়া সংসদীয় সমিতিয়ে সাংসদসকলৰ মতামত গুৰুত্ব সহকাৰে বিবেচনা কৰিছে আৰু তেওঁলোকৰ দিহা-পৰামৰ্শও বিধেয়কখনত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

বজালীৰ পাঠশালাৰ নিকতৱৰ্তী মুগুৰীয়াত কালি নিশা হোৱা অগ্নিকাণ্ডত বিস্তৰ এলেকাৰ বাঁহ তথা তামোলৰ বাৰীৰ লগতে বহু মূল্যবান গছ জাহ যায়। কোনো দুৰ্বৃত্তই অগ্নি সংযোগ কৰাৰ পাছত বিস্তৃৰ্ণ অঞ্চল জুইয়ে চানি ধৰাত অগ্নি নিৰ্বাপক বাহিনীৰ তিনিখন বাহনৰ সহায়ত অগ্নি নিৰ্বাপনৰ চেষ্টা চলোৱা হ'ব।

ইপিনে, বৰপেটাৰ কয়াকুছিতো যোৱা নিশা হোৱা অগ্নিকাণ্ডত এশৰো অধিক বিপণী জাহ যায়। কয়াকুছি বজাৰত নিশা প্ৰায় ২ বজাত জুইৰ সূত্ৰপাত ঘটাত স্থানীয় জনসাধাৰণৰ লগতে অগ্নি নিৰ্বাপক বাহিনীয়েও জুই নুমাবলৈ চেষ্টা চলায়। ঘটনাত কোনো লোক হতাহত হোৱা নাই যদিও কেইবা কোটি টকাৰ সামগ্ৰী জুইত জাহ যায়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৮০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

*সমাপ্ত*